**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-------------------

১। অসম তথা উত্তৰ-পূবত যোৱা ১০ বছৰত এহেজাৰ ৮২৪ কিলোমিটাৰ ৰে'লপথৰ সম্প্ৰসাৰণ হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ডিটেনচন শিবিৰত থকা বিদেশী নাগৰিকক দুসপ্তাহৰ ভিতৰত বহিষ্কাৰ কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ ৰাজ্য চৰকাৰক নিৰ্দেশ।

৩। জলচ্ছেদ যাত্ৰা শীৰ্ষক ৰাষ্ট্ৰীয় কাৰ্যসূচী আজি অসমতো ৰূপায়ণ।

৪। ডিব্ৰুগড় জিলাৰ টিপাম পাহাৰত কয়লাৰ অবৈধ খনন ৰোধ কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ জাৰী।

*আৰু*

৫। ৰাজ্যৰ উদীয়মান ল'নবল খেলুৱৈ বিতু দাস আৰু সুৰঞ্জনা বৰুৱাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ফাইনেলত প্ৰৱেশ।

০০০০০০

বিগত ১০ বছৰত অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলত এহেজাৰ ৮২৪ কিলোমিটাৰ ৰে'লপথৰ সম্প্ৰসাৰণ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই সম্প্ৰসাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ উত্তৰ-পূৰ্বাঞ্চলক অগ্ৰাধিকাৰ দিয়াৰ নীতিকে প্ৰতিফলিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এইবাৰৰ বাজেটত অঞ্চলটোৰ ৰে'ল আন্তঃগাঁথনিৰ বাবে ১০ হাজাৰ ৪৪০ কোটি টকা আৱণ্টন দিয়াৰ লগতে ৭৪ হাজাৰ ৯৭২ কোটি টকাৰ অসমত নতুন ৰে'ল প্ৰকল্পও স্থাপন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পূৰ্বে যোৱা দুদিনত নতুন দিল্লীত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু শীৰ্ষ নেতাক সাক্ষাৎ কৰাৰ পাছত অসমত বিনিয়োগৰ সুচল পৰিৱেশৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। ড০ শৰ্মাই কালি এডভাণ্টেজ আছাম সন্মিলনৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰক নতুন দিল্লীত সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱাৰ লগতে শ্ৰী জয়শংকৰে দেশৰ এক্ট-ইষ্ট নীতিত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত আলোকপাত কৰিব বুলি আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেল, পেট্ৰ'লিয়াম আৰু

প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰী আৰু ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াকো সাক্ষাৎ কৰে। কালি ড০ শৰ্মাই চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাকো সাক্ষাৎ কৰে।

উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশ লোৱাৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া সৰ্ববৃহৎ ঝুমুৰ নৃত্যৰ অনুষ্ঠানো প্ৰধানমন্ত্ৰীয়ে উপভোগ কৰিব। ২৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্ৰীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০

উচ্চতম ন্যায়ালয়ে ডিটেনচন শিবিৰত থকা বাংলাদেশী নাগৰিকসকলক দুসপ্তাহৰ ভিতৰত বহিষ্কাৰ কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে। ন্যায়াধীশ অভয় এছ অ'কা আৰু ন্যায়াধীশ উজ্জ্বল ভূঞাৰ খণ্ড বিচাৰপীঠে কালি ৬৩ জন বিদেশী নাগৰিকক বহিষ্কাৰ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে বিদেশী বহিষ্কাৰক লৈ ৰাজ্য চৰকাৰে ন্যায়ালয়ত তথ্য গাপ দিয়াৰ অপচেষ্টা কৰা বুলি সমালোচনা কৰে। লগতে শেহতীয়াকৈ ৰাজ্য চৰকাৰে দাখিল কৰা শপতনামাক কালি পুনৰ অযোগ্য আৰু ত্ৰুটিপূৰ্ণ বুলি ন্যায়ালয়ে নস্যাৎ কৰে। যোৱা ২২ জানুৱাৰীৰ শুনানিতো ৰাজ্য চৰকাৰে দাখিল কৰা শপতনামাক ন্যায়ালয়ে ত্ৰুটিপূৰ্ণ আখ্যা দিছিল। শেহতীয়া শপতনামাত বিদেশী বহিষ্কাৰৰ ক্ষেত্ৰত এই লোকসকলৰ স্বদেশত থকা ঠিকনা সন্দৰ্ভত চৰকাৰ জ্ঞাত নহয় বুলি আগবঢ়োৱা যুক্তিত বিচাৰপীঠে অসন্তুষ্টি প্ৰকাশ কৰে। চৰকাৰী অধিবক্তাই সঠিক শপতনামা দাখিলৰ বাবে ন্যায়ালয়ৰ পৰা অতিৰিক্ত সময় বিচাৰিলেও বিচাৰপীঠে সেয়া দিবলৈ অস্বীকাৰ কৰে আৰু দুসপ্তাহৰ ভিতৰত ডিটেনচন শিবিৰত আবদ্ধ ৬৩ জন বিদেশী নাগৰিকক নিজ নিজ দেশলৈ প্ৰত্যাৰ্পণৰ ব্যৱস্থা  কৰিবলৈ নিৰ্দেশ দিয়ে। অহা ২৫ ফেব্ৰুৱাৰীত ন্যায়ালয়ে পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে আৰু ১৮ ফেব্ৰুৱাৰীৰ ভিতৰত ত্ৰুটিমুক্ত সঠিক শপতনামা দাখিল কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। এই শুনানিত অসম চৰকাৰৰ মুখ্য সচিব ডং ৰবি কোটাই ভিডিঅ' কনফাৰেঞ্চযোগে অংশ লয়।

আমাৰ আগত বাতৰিতে কোৱা হৈছে যে অবৈধ অনুপ্ৰৱেশকাৰীক বহিষ্কাৰৰ পৰিৱৰ্তে ডিটেনচন শিৰিৰত ৰখা বিষয়ক লৈ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰকো জবাবদিহি কৰে। বিদেশী আইন ১৯৪৬ মতে অবৈধ বিদেশীৰ চিনাক্তকৰণ আৰু বহিষ্কাৰৰ ক্ষেত্ৰত থকা স্পষ্ট ব্যৱস্থা আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ২০০৯ চনতে নিৰ্দেশনা জাৰি কৰাৰ পাছতো আইনীভাৱে চিনাক্ত অবৈধ বিদেশী তথা অনুপ্ৰৱেশকাৰীক বহিষ্কাৰ নকৰি কিয় অনিৰ্দিষ্ট সময়লৈ ডিটেনচন শিৰিৰত ৰখা হৈছে সেই সন্দৰ্ভতো ন্যায়ালয়ে ব্যাখ্যা বিচাৰে।

ইয়াৰ পূৰ্বেও উচ্চতম ন্যায়ালয়ে গোৱালপাৰাৰ মাটিয়াৰ বিদেশী ডিটেনচন শিৰিৰত চিনাক্ত হোৱা অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰৰ পৰিৱৰ্তে আবদ্ধ কৰি ৰখা প্ৰসংগত যোৱা ২২ ডিচেম্বৰত অসম চৰকাৰক কৈফিয়ৎ তলব কৰিছিল।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা জলচ্ছেদ যাত্ৰা শীৰ্ষক ৰাষ্ট্ৰীয় কাৰ্যসূচী আজি অসমতো ৰূপায়ণ কৰা হ'ব। গুৱাহাটীৰ ভূমি সংৰক্ষণ ভৱনত আয়োজিত এই কাৰ্যসূচীত ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ভূমি আৰু পানী সংৰক্ষণৰ ক্ষেত্ৰত অসম ৰাজ্যিক নডেল অভিকৰণ, প্ৰধানমন্ত্ৰী

কৃষি জল সিঞ্চন যোজনাৰ বিশেষ উদ্যোগত এই জলচ্ছেদ যাত্ৰা ৰূপায়ণ কৰা হৈছে। ইয়াৰ জৰিয়তে ভূমি আৰু পানী সংৰক্ষণৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব।

০০০০০০

যোৰহাটত কাইলৈৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনলৈ ভকত-বৈষ্ণৱসকলক আদৰাৰ বাবে আদৰণি সমিতিয়ে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তুলিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৰোগত কৰি যোৰহাট জিলা শাখাৰ আতিথ্যত বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগিতাত আয়োজন কৰা এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে অংশগ্ৰহণ কৰিব। এই অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত আমাক জনাইছে সংঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ মুখ্য অধিনায়ক সঞ্জীৱ বৰাই--

**বাইট (সঞ্জীৱ বৰা)**

০০০০০০

ডিব্ৰুগড় জিলাৰ টিপাম পাহাৰত কয়লাৰ অবৈধ খনন ৰোধ কৰাৰ লগতে এই ব্যৱস্থা নিৰীক্ষণ কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। ৰাজ্য চৰকাৰৰ বন আৰু খনি তথা খনিজাত সামগ্ৰী বিভাগৰ লগতে আৰক্ষী সঞ্চালকপ্ৰধান, ক'ল ইণ্ডিয়া লিমিটেড আৰু ভাৰতীয় পূৰাতাত্বিক জৰীপ বিভাগকো অবৈধ খনন ৰোধৰ বাবে চোকা দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। ঐতিহাসিক দিশৰ পৰা গুৰুত্বপূৰ্ণ টিপাম পাহাৰত কিছু বছৰ পূৰ্বে কয়লাৰ অবৈধ খনন হোৱা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ গ্ৰহণ কৰা এখন জনস্বাৰ্থজড়িত আবেদনৰ ভিত্তিত এই ৰায় দিয়ে। মুখ্য ন্যায়াধীশ বিজয় বিশ্বয় আৰু ন্যায়াধীশ চুমন শ্যামৰ বিচাৰপীঠে কালি এই নিৰ্দেশ দিয়ে। আদালতে ৰাজ্য চৰকাৰক কয়লাৰ অবৈধ খননৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা অব্যাহত ৰখাৰ লগতে ভৱিষ্যতে এই কাৰ্যৰ পুনৰাবৃত্তি নকৰাটো নিশ্চিতি কৰিবলৈ নিৰ্দেশ দি আবেদনখন নিষ্পত্তি কৰে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিৰেপৰা চৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ লেখক-সাহিত্যিকে এই মহোৎসৱত অংশ ল'ব। ইটালী, ইংলেণ্ড, পৰ্টুগাল, ইউক্ৰেইন, স্পেইনকে ধৰি বিভিন্ন দেশৰ লেখক-সাহিত্যিকৰ লগতে ভাৰতৰ ভালেসংখ্যক খ্যাতনামা সাহিত্যিকে অনুষ্ঠানত ভাগ ল'ব। অনুৰাধা শৰ্মা পূজাৰী, অৰূপা পটংগীয়া কলিতা, বিপুল দেউৰী, কৰবী ডেকা হাজৰিকাৰ উপৰি নতুন প্ৰজন্মৰ কেইবাগৰাকীও লেখকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০

নাট্যনগৰী পাঠশালাত যোৱা ৩১ জানুৱাৰীৰ পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ কালি সামৰণি পৰে। লক্ষ লক্ষ লোকৰ সমাগম হোৱা এই অধিৱেশনৰ

গ্ৰন্থমেলাৰ চাৰিটা দিনত কমেও ৫ কোটি টকাৰ গ্ৰন্থ বিক্ৰীৰে অভিলেখ সৃষ্টি হোৱা বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। এই অধিৱেশনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সাহিত্যানুৰাগীৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্য আৰু ভূটান আৰু নেপালৰ সাহিত্য প্ৰেমীও অংশগ্ৰহণ কৰে। তদুপৰি পাঠশালা সাহিত্য সভাত প্ৰথমবাৰৰ বাবে মুকলি কৰা বিজ্ঞান মেলাত অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। কালি অধিৱেশনৰ অন্তিম দিনা পুৱা অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলনেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমায়ে উদ্বোধন কৰা এই সন্মিলনত কেইবাটাও ছাত্ৰ সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে সাংবাদিক সন্মিলন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। কালিৰ অনুষ্ঠানত ৬৪ গৰাকী সাংবাদিকক নিষ্ঠাবান সাংবাদিকতাৰ বঁটা আগবঢ়োৱা হয়। দিনৰ ভাগত অনুষ্ঠিত **আকাশ** শীৰ্ষক মহিলাসকলৰ প্ৰতিভা বিকাশৰ অনুষ্ঠানটিৰ আয়োজন কৰা হয়। বিয়লি সভাৰ মূল মঞ্চত নাট্য সন্মিলন আৰু গ্ৰন্থমেলাৰ বাকৰিত আজীৱন সভ্য সন্মিলন অনুষ্ঠিত হয়। কালিৰ অনুষ্ঠানতে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীক অসম সাহিত্য সভাই জীৱনযোৱা সাহিত্য প্ৰাণ সন্মান আৰু নৃপেন্দ্ৰ নাথ ভাগৱতীক সেৱা প্ৰাণ সন্মান প্ৰদান কৰে। নিশাৰ ভাগত অসমীয়া চিৰ সেউজীয়া শীৰ্ষক অনুষ্ঠানৰ পাছত কেইবাগৰাকীও খ্যাতনামা শিল্পীৰ সাংস্কৃতিক অনুষ্ঠানেৰে অধিৱেশনৰ সামৰণি পৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অধীনৰ পাণবাৰী সংৰক্ষিত বনাঞ্চলত কালি পক্ষী নিৰীক্ষণ অৰ্থাৎ বাৰ্ড ছাফাৰী আৰম্ভ হৈছে। কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰথমগৰাকী পক্ষী নিৰীক্ষক হিচাপে বিভিন্ন প্ৰজাতিৰ চৰাইসমূহ প্ৰত্যক্ষ কৰে। কালি উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড০ সোণালী ঘোষৰ সৈতে মন্ত্ৰীগৰাকীয়ে কমেও ৪০০টা প্ৰজাতি পক্ষীৰ বিচৰণস্থলী পাণবাৰী সংৰক্ষিত বনাঞ্চল পৰিদৰ্শন কৰে। এই বনাঞ্চলৰ বৃহৎ গছসমূহত অগণন পক্ষী আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে সুদীৰ্ঘ ১০ বছৰৰ পাছত উদ্যানখনত এই পক্ষী নিৰীক্ষণ ব্যৱস্থা আৰম্ভ কৰা হৈছে।

০০০০০০

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি অনুষ্ঠিত গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ কালি প্ৰথম দিনৰ কাৰ্যসূচী সফলভাৱে সম্পন্ন হয়। কালি প্ৰথমদিনা ৯ লাখ ৮১ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থীৰ স্ব-মূল্যায়ন কৰা হয়।

মাজুলী জিলাৰ ৪৯৬ খন বিদ্যালয়ত গুণোৎসৱৰ স্বমূল্যায়ন কৰা হয়। মাজুলীৰ বিধায়ক ভুৱনগাম, জালুকবাৰী উপ বন সংৰক্ষক বিষয়া দিম্পী বৰা, বশিষ্ঠ উপ-বন সংৰক্ষক বিষয়া শৈলেন দাস আৰু অসম শক্তি বিভাগৰ যুটীয়া সচিব মধুচন্দ্ৰ তালুকদাৰে আজিৰেপৰা বিদ্যালয়সমূহত বহিঃমূল্যায়নত ভাগ ল'ব।

উল্লেখযোগ্য যে ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০০

পাঠশালাত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম অধিৱেশন সম্পৰ্কীয় এটা বাতৰিক **দৈনিক অসম** কাকতে **অন্তিম দিনাও উখল-মাখল ভক্তদেৰ ক্ষেত্ৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোক

**অসমীয়া প্ৰতিদিন, আমাৰ অসমকে** ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ বাতৰি কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিদেশী বহিষ্কাৰ প্ৰসংগক লৈ উচ্চতম ন্যায়ালয়ে অসম চৰকাৰক সমালোচনা কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **বন্দী বিদেশীক শীঘ্ৰেই বহিষ্কাৰৰ নিৰ্দেশ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি **আছাম ট্ৰিবিউন, টাইমছ অৱ ইণ্ডিয়া** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

মাৰ্কিন ৰাষ্ট্ৰপতিৰ নিৰ্দেশত ১৮ হাজাৰ ভাৰতীয় অনুপ্ৰৱেশকাৰীৰ বহিষ্কাৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ বাতৰিটো **আমাৰ অসম** কাকতে **ট্ৰাম্পে বিমানত উঠাই ঘূৰাই পঠিয়ালে ২০৫ জন ভাৰতীয়ক** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দিল্লী বিধানসভা নিৰ্বাচনৰ এটা বাতৰিক অসমীয়া খবৰ কাকতে আজি দিল্লীৰ নিৰ্বাচন ঃ কাৰ সপক্ষে বতাহ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে লক্ষ লক্ষ ভকত বৈষ্ণৱক আদৰিবলৈ সাজু যোৰহাটবাসী শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক অসমকে ধৰি আন কেইবাখনো কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

মৰিয়নিৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত নিশাৰ ভাগত পুনৰ গুলীৰ শব্দ শুনিবলৈ পোৱা বাতৰি এটা **নাগালেণ্ড সীমান্তত নিশা পুনৰ গুলীৰ শব্দত আতংক** শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ এটা দলে কালি ডিব্ৰুগড় আৰু যোৰহাটত কেইবাগৰাকীও ব্যৱসায়ীৰ ঘৰত অভিযান চলায়। অৱশ্যে এই সন্দৰ্ভত দলটোৱে কোনো কথা প্ৰকাশ কৰা নাই। দলটোৱে জিলা দুখনৰ উপৰি অৰুণাচলৰ কেইবাগৰাকীও ব্যৱসায়ীৰ ঘৰত অভিযান চলায়। তদুপৰি অৰুণাচলৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নাবাম টুকীৰ বাসভৱনতো ১২ জনীয়া দলটোৱে তালাচী চলায়।

০০০০০০

ৰাজ্যৰ উদীয়মান ল'নবল খেলুৱৈ বিতু দাস আৰু সুৰঞ্জনা বৰুৱাই উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ফাইনেলত প্ৰৱেশ কৰিছে। একেদৰে বিমান নাথ আৰু বিশ্বজিৎ খাওন্দে পুৰুষৰ ডাবলছৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। সুৰঞ্জনাই কালি ছোৱালীৰ ২৫ বছৰ অনুৰ্ধ শাখাৰ হাৰিয়ানাৰ প্ৰতিদ্বন্দ্বীক আজি ২১-১০ পইণ্টত পৰাস্ত কৰে। একেদৰে বিতুই ল'ৰাৰ ২৫ বছৰ অনুৰ্ধ বংগৰ প্ৰতিদ্বন্দ্বীক ২১-১৩ পইণ্টত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে। পুৰুষৰ ডাবলছত বিমান আৰু বিশ্বজিতে উত্তৰাখণ্ডৰ যুটীক ১৬-১৪ৰ ব্যৱধানত পৰাস্ত কৰে। অলিম্পিক পদক জয়ী বক্সাৰ লাভলীনা বৰগোহাঁইয়ে মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত তেওঁ উত্তৰাখণ্ডৰ প্ৰতিদ্বন্দ্বীক ৫-০ৰ ব্যৱধানত পৰাজিত কৰি পদক নিশ্চিত কৰে। একেদৰে পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাত অসমৰ নৱাগত বক্সাৰ অভিনৱ শইকীয়াইয়ো ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে।

ৰাজ্যৰ পুৰুষ ফুটবল দল আজি ছেমিফাইনেলত কেৰালাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বক্সিঙত শিৱ থাপা, জুনিয়ৰ বিশ্ব চেম্পিয়ন অংকুশিতা বড়ো, আৰতী দলে আৰু আইকন মিলিও নিজ নিজ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দিতা আগবঢ়াব। চাইক্লিঙত ৰূপৰ পদক লাভ কৰা চয়নিকা গগৈক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জনাইছে। অসমে এতিয়ালৈকে ৮টা ৰূপ আৰু ৮টা ব্ৰঞ্জৰ পদকসহ মুঠ ১৬ টা পদক লাভ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ দশমিক ১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰিব বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত